# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 30-MAY-2026 **Time :** 1100 HRS

***Assamese 11 AM Bulletin***

——————————————————

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু মেঘালয়ৰ মুখ্যমন্ত্ৰী কনৰাড চাংমাই আন্তঃৰাজ্যিক সীমা সমস্যাৰ স্থায়ী সমাধানৰ দিশে শীঘ্ৰে অগ্ৰসৰ হ'বলৈ সিদ্ধান্ত গ্ৰহণ কৰিছে। অসম-মেঘালয়ৰ দীৰ্ঘদিনীয়া সীমা সমস্যা সমাধানৰ লক্ষ্যৰে মেঘালয়ৰ মুখ্যমন্ত্ৰীৰ নেতৃত্বত এটা প্ৰতিনিধি দলে কালি দিছপুৰ লোকসেৱা ভৱনত মুখ্যমন্ত্ৰী ড০ শৰ্মাৰ সৈতে আলোচনাত মিলিত হয়। সামাজিক মাধ্যমৰ এটা বাৰ্তাত ড০ শৰ্মাই কয়, যে এই আলোচনাকালত তেওঁলোকে অসম-মেঘালয় সীমান্তৰ বিষয়ৰ উপৰি বিভিন্ন আন্তঃৰাজ্যিক প্ৰসংগত মত বিনিময় কৰে। তেওঁলোকে লগতে **এক ভাৰত-শ্ৰেষ্ঠ ভাৰতৰ** দৰ্শনেৰে অসম আৰু মেঘালয়ে বিভিন্ন ক্ষেত্ৰত সহযোগিতা বৃদ্ধি কৰাৰ লগতে অষ্টলক্ষ্মী অঞ্চলৰ বিকাশ ত্বৰান্বিত কৰিব পৰা নতুন সম্ভাৱনাসমূহৰ অন্বেষণ সন্দৰ্ভতো আলোচনা কৰে।

০০০০০০০০

ভগৱান বুদ্ধৰ দুগৰাকী প্ৰধান শিষ্য অৰহন্ত চাৰিপুত্ৰ আৰু অৰহন্ত মোডগাল্যায়ানৰ পবিত্ৰ অৱশেষ প্ৰদৰ্শনীৰ বাবে অসমৰ ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যৰ নেতৃত্বত ভাৰতৰ এটা প্ৰতিনিধি দল আজি মংগোলীয়া অভিমুখে ৰাওনা হ'ব। ভাৰত আৰু মংগোলীয়াৰ মাজৰ শতিকাজোৰা সভ্যতাগত সম্পৰ্ক সুদৃঢ় কৰাৰ লক্ষ্যৰে সংস্কৃতি মন্ত্ৰালয়ৰ অধীনত এই প্ৰদৰ্শনীৰ আয়োজন কৰা হৈছে। মধ্যপ্ৰদেশৰ ছাঁচী বিহাৰ চৈত্যত এই পবিত্ৰ অৱশেষ সংৰক্ষণ কৰি ৰখা হৈছে আৰু মংগোলীয়াত এই অৱশেষ প্ৰদৰ্শনীৰ বাবে অহা ৯ জুনলৈ ৰখা হ'ব। এই প্ৰদৰ্শনকালত দেশখনৰ বহু ভক্ত, বৌদ্ধ ভিক্ষু তথা পণ্ডিতসকলে পবিত্ৰ অৱশেষৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰিব।

০০০০০

ৰাজ্যত আসন্ন লোকপিয়ল সুচাৰুৰূপে সম্পন্ন কৰাৰ বাবে লোকপিয়ল সঞ্চালকালয়ে সকলো ধৰণৰ প্ৰাৰম্ভিক প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰিছে। ইয়াৰ বাবে ইতিমধ্যে ৮৫ হাজাৰ গণনাকাৰী বিষয়া নিয়োগ কৰা হৈছে। লোকপিয়লৰ পৰিপ্ৰেক্ষিতত এই গণনাকাৰী বিষয়াসকলৰ অহা ৩১ মাৰ্চ পৰ্যন্ত বদলিত বাধা নিষেধ আৰোপ কৰা হৈছে। এই সন্দৰ্ভত গৃহ মন্ত্ৰালয়ৰ জৰুৰী পত্ৰ লাভৰ পাছতে কৰ্মচাৰী বিভাগে সাধাৰণ প্ৰশাসন বিভাগৰ সচিব আৰু সকলো জিলা আয়ুক্তলৈ নিৰ্দেশ প্ৰেৰণ কৰিছে।

উল্লেখযোগ্য যে ৰাজ্যত অহা ২ আগষ্টত আৰম্ভ হ'বলগীয়া প্ৰথম পৰ্যায়ৰ লোকপিয়লৰ বাবে জিলাই জিলাই গৃহ তালিকা আৰু গৃহ পিয়ল সম্পৰ্কীয় প্ৰশিক্ষণ আৰম্ভ হৈছে। ১৭ আগষ্টৰ পৰা গণনাকাৰী বিষয়াসকলে ঘৰে ঘৰে গৈ জন গণনা কৰিব। এই প্ৰক্ৰিয়া ১৫ ছেপ্তেম্বৰ পৰ্যন্ত চলিব।

দেশৰ যোড়শ আৰু স্বাধীনোত্তৰ ভাৰতৰ অষ্টম লোকপিয়লত সামাজিক অৱস্থা আৰু জাতিগত গণনাকে ধৰি জনসংখ্যা আৰু গৃহ পিয়ল অন্তৰ্ভুক্ত হ'ব। প্ৰথম পৰ্যায়ত ঘৰৰ তালিকা প্ৰস্তুত কৰা হ'ব আৰু দ্বিতীয়

পৰ্যায়ত জনসংখ্যাৰ গণনা কৰা হ'ব। ইয়াৰ বাবে অহা বছৰৰ পহিলা এপ্ৰিলক ভিত্তি তাৰিখ হিচাপে নিৰ্ধাৰণ কৰা হৈছে। দেশত এইবাৰ প্ৰথমবাৰৰ বাবে সম্পূৰ্ণ ডিজিটেল প্ৰক্ৰিয়াৰে লোকপিয়ল হৈছে। এই প্ৰক্ৰিয়াত এণ্ড্ৰইদ আৰু আই অ' এছৰ মোবাইল এপৰ জৰিয়তে তথ্যসমূহ সংগ্ৰহ কৰা হৈছে। এইবাৰৰ লোকপিয়লত স্ব-গণনাৰো বিকল্প ব্যৱস্থা কৰা হৈছে। লোকপিয়লত জনসাধাৰণে ১৬টা ভাষাত তথ্য দিব পাৰিব।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ আকাশবাণীৰ **মন কী বাত** অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ সৈতে মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটোৰ ১৩৪ সংখ্যক খণ্ড।

এই অনুষ্ঠান আকাশবাণী আৰু দূৰদৰ্শনৰ আটাইবোৰ নেটৱৰ্কৰ উপৰি আকাশবাণীৰ ৱেৱছাইট আৰু newsonair মোবাইল এপৰ জৰিয়তে শুনিবলৈ পোৱা যাব। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়, তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়, আকাশবাণী আৰু দূৰদৰ্শনৰ ইউটিউব চেনেল যোগেও এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে অনুষ্ঠানটো প্ৰচাৰ হোৱাৰ ঠিক পাছতেই ইয়াৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০০

আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ আজি নিশা ৮ বাজি ২ মিনিটৰ দৃষ্টিপাত অনুষ্ঠানত **২০৪৭ চনৰ বিকশিত ভাৰতৰ লক্ষ্য আৰু জনগাঁথনিগত সুযোগৰ সম্ভাৱনা** শীৰ্ষক এটা আলোচনা প্ৰচাৰ কৰা হ'ব। এই আলোচনাত সমল ব্যক্তি হিচাপে অংশ ল'ব আই আই টি গুৱাহাটীৰ স্কুল অব বিজনেছৰ সহযোগী অধ্যাপক ড০ কুলদীপ বৈশ্যই। আলোচনাৰ আঁত ধৰিব পৰিস্মীতা দিহিঙ্গীয়া আৰু জিণ্টী ৰাণী ডেকাই। অনুষ্ঠানটিৰ প্ৰযোজনা আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ।

০০০০০০০

নগাঁও জিলাৰ কামপুৰ বনাঞ্চলিক বিষয়াৰ কাৰ্যালয়ৰ অন্তৰ্গত কচুৱাত বনৰীয়া হাতীৰ আক্ৰমণত কালি এগৰাকী মহিলাসহ দুজন লোকৰ মৃত্যু হোৱাৰ লগতে আন কেইবাজনো আহত হয়। হাতীৰ গচকত মৃত্যু হোৱা লোক দুজন শ্বাহাজউদ্দিন আৰু হনুফা খাতুন বুলি চিনাক্ত কৰা হৈছে। অঞ্চলটোত কালি ওৰে নিশা খাদ্যৰ সন্ধানত জনাঞ্চললৈ ওলাই অহা বনৰীয়া হাতীৰ জাকে উপদ্ৰৱ চলাই বুলি স্থানীয় লোকে জনাইছে।

০০০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা নিউ চণ্ডীগড়ত অনুষ্ঠিত দ্বিতীয়খন কোৱালিফায়াৰত গুজৰাট টাইটানছে ৰাজস্থান ৰয়েলছক ৭ উইকেটত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰিছে।

প্ৰতিযোগিতাত কাইলৈ আহমেবদাবাদত হ'বলগীয়া ফাইনেলত গুজৰাট টাইটানছ যোৱাবাৰৰ চেম্পিয়ন ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰুৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০০০০০০

**সমাপ্ত**